তুমি খং নকৰিবা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক ক’লে, মোক উপদেশ দিয়ক। তেখেতে ক’লে, "তুমি খং নকৰিবা।" ব্যক্তিজনে কেইবাবাৰো একেই প্রশ্ন কৰিলে। তেখেতও প্রত্যেকবাৰেই এই কথাকেই ক’লে যে, তুমি খং নকৰিবা।
[ছহীহ] [(বুখাৰী)]

কোনো এজন চাহাবীয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত আহি উপদেশ বিচাৰিলে। তেখেতে তেওঁক নিৰ্দেশ দিলে যে, তুমি খং নকৰিবা। অৰ্থাৎ তুমি এনেকুৱা বিষয়ৰ পৰা আঁতৰি থাকিবা যিবোৰে তোমাক খং কৰিবলৈ বাধ্য কৰায়, লগতে কেতিয়াবা খং উঠিলেও তাক নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰিবা। খঙৰ বশৱৰ্তী হৈ যাতে হত্যা, মাৰপিট নাইবা গালি শপনি আদি নকৰা। ব্যক্তিজনে বাৰে বাৰে উপদেশ বিচাৰি আছিল, তেখেতে তেওঁক ইয়াৰ বাহিৰে বেলেগ আন কোনো উপদেশ দিয়া নাছিল যে, তুমি খং নকৰিবা।

http://sunnah.global/hadeeth/as/show/4709